**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 12-10-2026
**Time :** 0705 HRS.

ASSAMESE NSD MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শেহতীয়া আন্তৰ্জাতিক প্ৰত্যাহ্বানসমূহ সমাধান কৰিবলৈ দেশৰ যুৱচামৰ প্ৰতিভা আছে বুলি মন্তব্য কৰিছে।

২। হৰমুজ প্ৰণালীত আক্ৰমণৰ সন্মুখীন হোৱা ১১ গৰাকী ভাৰতীয় নাৱিক কঢ়িয়াই নিয়া এম টি ভালথেৰা নামৰ টেংকাৰখনত থকা নাৱিকসকল সুৰক্ষিত হৈ আছে বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰকাশ কৰিছে

৩। ছৌদি আৰবৰ ৰিয়াধৰ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত হোৱা দ্বিতীয়টো আক্ৰমণত এজন লোক নিহত হোৱাৰ লগতে ১১ জন আহত হয়।

৪। নেপালৰ বুধি গণ্ডকী নদীত অহা আকস্মিক বানত বৰ্তমানলৈকে ৮০ জনৰো অধিক লোকক উদ্ধাৰ কৰা হৈছে।

*আৰু*

৫। টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজত যোৱা নিশা ইন্দোৰৰ হলকাৰ ষ্টেডিয়ামত অনুষ্ঠিত তৃতীয়খন খেলত ভাৰতে ৱেষ্ট ইণ্ডিজক ১৪ ৰানত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শেহতীয়া আন্তৰ্জাতিক প্ৰত্যাহ্বানসমূহ সমাধান কৰিবলৈ দেশৰ যুৱচামৰ প্ৰতিভা আছে বুলি মন্তব্য কৰিছে। তেওঁ কয় যে বিশ্বই বিভিন্ন ক্ষেত্ৰত আহি পৰা উদ্বিগ্নতাসমূহ আঁতৰ কৰিবলৈ সমাধানৰ পথ বিচাৰিছে। চেন্নাইৰ জয়গোপাল গাৰোডিয়া হিন্দু বিদ্যালয়ৰ সোণালী জয়ন্তী উদযাপনত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে। বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হ'বলৈ যুৱচামে বিশেষ ভূমিকা পালন কৰে বুলিও তেওঁ মন্তব্য কৰে। দেশত সম্প্ৰতি যুৱচামৰ বাবে প্ৰচুৰ সুযোগ মুকলি হোৱা বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে যুৱচামক তেওঁলোকৰ সম্ভাৱনাৰ সদ্ব্যৱহাৰ কৰি ৰাষ্ট্ৰৰ বিকাশত অৰিহনা যোগাবলৈ আহ্বান জনায়। যুৱচামে বিকশাই তোলা সমাধানৰ পথ তথা উদ্ভাৱনী ধাৰণাই দেশৰ লগতে সমগ্ৰ বিশ্বৰ ভৱিষ্যতৰ পথ মুকলি কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। নিৰ্মাণ খণ্ডত দেশৰ প্ৰগতিৰ ওপৰত আলোকপাত কৰি শ্ৰীমোদীয়ে কয় যে এই খণ্ডৰ সম্প্ৰসাৰণে যুৱচামৰ বাবে প্ৰত্যক্ষ তথা পৰোক্ষ নিয়োগৰ সুবিধাৰ সৃষ্টি কৰিছে। দেশৰ প্ৰতিৰক্ষা খণ্ডৰ ৰপ্তানি ৫০ গুণ বৃদ্ধি হোৱা বুলি উল্লেখ কৰি তেওঁ কয় যে অভিযান্ত্ৰিক খণ্ডৰ ৰপ্তানিয়েও নতুন শিখৰ স্পৰ্শ কৰিছে। তেওঁ লগতে কয় যে ২০১৪ চনৰ পৰা বৈদ্যুতিক সামগ্ৰীৰ ৰপ্তানি ১১ গুণ বৃদ্ধি হৈছে।

ooooo

কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কৈছে যে হৰমুজ প্ৰণালীত ১১ গৰাকী ভাৰতীয় নাবিক কঢ়িয়াই নিয়া মাৰ্শ্বাল দ্বীপপুঞ্জৰ ধ্বজাবাহী M/T Valthera (এম/টি ভালথেৰা) নামৰ টেংকাৰখনত অচিনাক্ত ক্ষেপণাস্ত্ৰৰ দ্বাৰা কৰা আঘাতৰ

ফলত টেংকাৰখনত অগ্নিকাণ্ডৰ সূত্ৰপাত হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীসোণোৱালে কয় যে, ১১ গৰাকী ভাৰতীয় ক্ৰু মেম্বাৰৰ আটাইকেইজন সুৰক্ষিত হৈ আছে।

শ্ৰী সোণোৱালে লগতে কয় যে ১১ গৰাকী ভাৰতীয় নাবিক কঢ়িয়াই নিয়া MT PETRO DOLPHIN (এম টি পেট্ৰ' ডলফিন) নামৰ টেংকাৰখনো সোহাৰ লংগৰত ড্ৰোন আক্ৰমণৰ সন্মুখীন হয়। তেওঁ কয় যে এই ১১জনৰ ভিতৰত ৯ জন ভাৰতীয় নাবিকক সুৰক্ষিতভাবে উদ্ধাৰ হৈছে যদিও দুগৰাকী এতিয়াও সন্ধানহীন হৈ আছে। তেওঁ কয় যে স্থানীয় উপকূলৰক্ষী বাহিনীয়ে অনুসন্ধান আৰু উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। শ্ৰীসোণোৱালে কয় যে উদ্ধাৰ অভিযানত সহায় কৰাৰ লগতে সন্ধানহীন কৰ্মীসকলক সুৰক্ষিতভাৱে উদ্ধাৰ কৰাৰ বাবে সম্ভৱপৰ সকলো পদক্ষেপ সুনিশ্চিত কৰিবলৈ ভাৰত চৰকাৰে সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে সহযোগিতাৰে কাম কৰি আছে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কালি হৰমুজ প্ৰণালীত বাণিজ্যিক জাহাজৰ ওপৰত হোৱা এনেধৰণৰ আক্ৰমণক গৰিহণা দিছে। মাস্কাটত থকা ভাৰতীয় দূতাবাসে পৰিস্থিতি তীক্ষ্ণভাৱে পৰ্যবেক্ষণ কৰি আছে। মন্ত্ৰালয়ে কৈছে যে ভাৰতীয় নাবিকসকলৰ সুৰক্ষাৰ বিষয়টোক চৰকাৰে সদায় অগ্ৰাধিকাৰ দি আহিছে। মন্ত্ৰালয়ে কৈছে যে এই আক্ৰমণে ইতিমধ্যে অস্থিৰ হৈ থকা পৰিস্থিতিক আৰু অধিক অৱনতি ঘটোৱাৰ আশংকা কঢ়িয়াই আনিছে। ভাৰতে আলোচনা আৰু কূটনীতিৰ জৰিয়তে পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ লগতে বৰ্তমানৰ সংঘাতৰ সমাধানৰ বাবে প্ৰয়োজনৰ কথা পুনৰ দোহাৰে। বাণিজ্যিক জাহাজ, নাবিক আৰু সাধাৰণ নাগৰিকৰ আন্তঃগাঁথনিৰ ওপৰত আক্ৰমণ বন্ধ কৰাৰ লগতে আৰু মুক্ত নৌ-পৰিবহণ তথা সামুদ্ৰিক বাণিজ্যৰ সুৰক্ষিত চলাচল অব্যাহত ৰখা উচিত বুলিও মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

ooooo

ছৌদি আৰবৰ ৰাজধানী ৰিয়াধৰ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত হোৱা দ্বিতীয়টো আক্ৰমণত এজন লোক নিহত হোৱাৰ লগতে ১১ জন আহত হয়। ছৌদি সেনাৰ এগৰাকী মুখপাত্ৰই জনোৱা মতে কিং খালিদ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত কালি ক্ষেপণাস্ত্ৰৰ আক্ৰমণ হোৱাত যাত্ৰী অপেক্ষাৰত স্থানত অগ্নিসংযোগ হয়। উল্লেখযোগ্য যে যোৱা শনিবাৰে এই বিমান বন্দৰতে হোৱা প্ৰথমটো আক্ৰমণত ১৩ জন লোকৰ মৃত্যু হোৱাৰ লগতে ৩০৮ জন লোক আহত হৈছিল।

য়েমেনৰ হুথী বিদ্ৰোহীয়ে এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰি বিমান কোম্পানী আৰু যাত্ৰীসকলক ছৌদি আৰবৰ বিমান বন্দৰ তথা আকাশমাৰ্গ ব্যৱহাৰ নকৰিবলৈ সতৰ্ক কৰি দিছে। বিদ্ৰোহী গোটটোৱে জনোৱা মতে তেওঁলোকে বেলিষ্টিক আৰু ক্ৰুজ ক্ষেপণাস্ত্ৰৰ লগতে ড্ৰোনেৰে বিমান বন্দৰটোত আক্ৰমণ চলায়। হুথীয়ে সকলো ছৌদি বিমান বন্দৰেই তেওঁলোকৰ সম্ভাব্য লক্ষ্য বুলি সতৰ্কবাণী দিছে। হুথী বিদ্ৰোহীয়ে প্ৰকাশ কৰা অনুসৰি য়েমেনৰ গৃহযুদ্ধত চৰকাৰী পক্ষক ছৌদি আৰৱে সমৰ্থন যোগোৱা আৰু ছানা বিমান বন্দৰত আক্ৰমণ চলোৱাৰ প্ৰত্যুত্তৰ হিচাপে এই আক্ৰমণ চলাইছে।

ইপিনে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কয় যে হুথী বিদ্ৰোহীৰ আক্ৰমণক লৈ আমেৰিকা যুক্তৰাষ্ট্ৰই শীঘ্ৰেই সিদ্ধান্ত ল'ব। আনহাতে ব্ৰিটেইনৰ প্ৰতিৰক্ষা মন্ত্ৰী ৰেছ ষ্টিটিঙে ব্ৰিটেইনে ছৌদি আৰৱক আৰু অধিক সমৰ্থন আগবঢ়াব পাৰে বুলি ইংগিত দিছে।

ইফালে হুথী বিদ্ৰোহীৰ প্ৰথমটো আক্ৰমণত নিহত হোৱা সকলৰ ভিতৰত এজন ভাৰতীয়ও আছে বুলি জানিব পৰা গৈছে। ৰিয়াধৰ ভাৰতীয় দূতাবাসে সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰকাশ কৰা মতে আহত

লোকজনৰ কালি মৃত্যু হয়। দূতাবাসে নিহত ব্যক্তিগৰাকীৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰি কয়, যে মৃতদেহটো দেশলৈ ঘূৰাই পঠোৱাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণকে ধৰি সকলো প্ৰকাৰৰ সহায়ৰ বাবে পৰিয়ালটোৰ সৈতে সংযোগত আছে। যোৱা শনিবাৰৰ এই আক্ৰমণত প্ৰায় ৩০০ জন আহত লোকৰ ভিতৰত ১০ জন ভাৰতীয় আছে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কয় যে ৰিয়াধৰ বিমান বন্দৰৰ এই আক্ৰমণৰ পাছত ভাৰতীয় দূতাবাসে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতীয় দূতাবাসে ছৌদি আৰৱত থকা সকলো ভাৰতীয়ক সতৰ্ক হৈ থাকিবলৈ আৰু পৰা পক্ষত ঘৰৰ ভিতৰতে থাকিবলৈ পৰামৰ্শ দিছে। তেওঁলোকক চৰকাৰী চেনেলৰ জৰিয়তে স্থানীয় কৰ্তৃপক্ষই জাৰি কৰা পৰামৰ্শাৱলীসমূহ মানি চলিবলৈ আহ্বান জনোৱা হৈছে। দূতাবাসৰ কৰ্তৃপক্ষই আহত ভাৰতীয় লোক চিকিৎসাধীন হৈ থকা সকলো হাস্পতাল পৰিদৰ্শন কৰিছে।

ইপিনে নতুন দিল্লীয়ে এই আক্ৰমণক তীব্ৰ গৰিহণা দিছে। এটা বিবৃতিত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কয় যে অসামৰিক লোক আৰু অসামৰিক আন্তঃগাঁথনিৰ ওপৰত বাৰে বাৰে আক্ৰমণ চলোৱাটো সম্পূৰ্ণৰূপে অগ্ৰহণযোগ্য আৰু শীঘ্ৰেই এই আক্ৰমণ বন্ধ হোৱা উচিত। ছৌদি আৰৱৰ সাৰ্বভৌমত্ব ৰক্ষাৰ ক্ষেত্ৰত ভাৰত ইয়াৰ জনসাধাৰণ আৰু চৰকাৰৰ সৈতে আছে আৰু শীঘ্ৰে দেশখনলৈ শান্তি আৰু স্বাভাৱিক অৱস্থা ঘূৰি আহিব বুলি বিবৃতিটোত আশা কৰা হৈছে।

০০০০০

নেপালৰ গোৰ্খা জিলাৰ বুধি গণ্ডকী নদীত অহা আকস্মিক বানৰ পৰা বৰ্তমানলৈকে ৮০ জনৰো অধিক লোকক উদ্ধাৰ কৰা হৈছে। ইয়াৰ ভিতৰত ৯ জন বিদেশী নাগৰিকো আছে। বানত ৫ জন লোক এতিয়াও সন্ধানহীন হৈ আছে। নেপালৰ ৰাষ্ট্ৰীয় দুৰ্যোগ  আশংকা প্ৰশমন আৰু ব্যৱস্থাপনা কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে ৪ খন হেলিকপ্টাৰৰ সহায়ত ৮২ জন লোকক উদ্ধাৰ কৰা হৈছে। কালি পুৱতি নিশা প্ৰায় ৪ বজাৰ আশে পাশে অহা এই বানে ছুমনুব্ৰী অঞ্চলৰ বহু বাসগৃহ আৰু দলং উটুৱাই নিয়াৰ লগতে কেইবাটাও জলবিদ্যুৎ প্ৰকল্প ক্ষতিগ্ৰস্ত কৰে। উদ্ধাৰ তথা সাহায্য অভিযানৰ বাবে নেপাল সেনাকে ধৰি ৭০০ৰো অধিক নিৰাপত্তা বাহিনীৰ লোক নিয়োগ কৰা হৈছে। উদ্ধাৰ অভিযান আৰু যাৱতীয় সামগ্ৰী প্ৰদানৰ বাবে ৪ খন হেলিকপ্টাৰ ব্যৱহাৰ কৰা হৈছে।  প্ৰাৰম্ভিক তথ্য অনুসৰি ছুমনুব্ৰী গ্ৰাম্য পৌৰসভাৰ প্ৰায় ৩৬টা বাসগৃহ বানে উটুৱাই লৈ যায়। বানত কমেও ৪৫টা বাসগৃহ সম্পূৰ্ণৰূপে ধ্বংস হয়। এই দুৰ্যোগত দুখন ওলমা দলঙকে ধৰি মুঠ ৪ খন দলং আৰু তিনিটা জলবিদ্যুৎ প্ৰকল্প ক্ষতিগ্ৰস্ত হয়।

আন্তঃৰাষ্ট্ৰীয় সংহত পাৰ্বত্য বিকাশ কেন্দ্ৰই গোৰ্খা জিলাৰ চুমছেটৰ সমীপত ভূমিস্খলনৰ ফলত সাময়িকভাৱে অৱৰোধৰ সৃষ্টি হোৱাৰ ফলতেই এই আকস্মিক বান সংঘটিত হ'ব পাৰে বুলি প্ৰকাশ কৰিছে। বানে মাটি, বালি আৰু ধ্বংসস্তূপৰ সামগ্ৰী নামনি অংশলৈ কঢ়িয়াই অনাত কৰ্তৃপক্ষই বোধি গণ্ডকী, ত্ৰিশূলী আৰু নাৰায়ণী নদীৰ দাঁতিকাষৰীয়া লোকসকলক সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে। ইপিনে এই আকস্মিক বানে দলং আৰু ফুটপাথ উটুৱাই লৈ যোৱাত মানসলু ট্ৰেকিঙৰ বাবে যোৱা ভালেসংখ্যক পৰ্যটক আৱদ্ধ হৈ পৰে। অৱশ্যে তেওঁলোক সম্প্ৰতি নিৰাপদে আছে বুলি মানসলু সংৰক্ষিত এলেকা প্ৰকল্পই জানিবলৈ দিছে।

০০০০০

টি-২০ ক্রিকেট প্ৰতিযোগিতাত ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজত যোৱা নিশা ইন্দোৰৰ হলকাৰ ষ্টেডিয়ামত অনুষ্ঠিত তৃতীয়খন খেলত ভাৰতে ৱেষ্ট ইণ্ডিজক ১৪ ৰানত পৰাস্ত কৰে। ৱেষ্ট ইণ্ডিজে ২২৪ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ২০৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। দলটোৰ ছিমৰন হেটমেয়েৰে সৰ্বাধিক ৪৩ আৰু কামিল পুৰাণে ৪২ ৰান কৰে। ভাৰতৰ অশ্বদীপ সিঙে তিনিটা উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ২২৩ ৰান সংগ্ৰহ কৰে। অভিষেক শৰ্মাই ৩০টা বলত ৬৯ ৰান কৰি সুন্দৰ প্ৰদৰ্শন আগবঢ়ায়। ৱেষ্ট ইণ্ডিজৰ হৈ ৰুষ্টন চেজ, সমৰ জোছেফ আৰু সমৰ স্প্ৰীঞ্জাৰে দুটাকৈ উইকেট লাভ কৰে। অশ্বদীপ সিঙক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

পাঁচখনীয়া শৃংখলাটোত ভাৰত সম্প্ৰতি ২-১ ব্যৱধানত আগবাঢ়ি আছে। প্ৰতিযোগিতাৰ চতুৰ্থখন খেল পৰহিলৈ হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০০

ভাৰতৰ অনমোল খাৰ্বে তুৰ্কীয়ে আন্তঃৰাষ্ট্ৰীয় চেলেঞ্জ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ খিতাপ জয় কৰিছে। খেলুৱৈগৰাকীয়ে ফাইনেলত আকৰ্ষী কাশ্যপক ২১-১১, ২১-১৪ পোনপটীয়া গেমত পৰাস্ত কৰে। এয়া হৈছে অনমোলৰ তৃতীয়টো আন্তঃৰাষ্ট্ৰীয় ছিনিয়ৰৰ খিতাপ দখল। ইপিনে পুৰুষৰ ডাবলছ শিতানত ভাৰতৰ সুৰজ গোৱালা আৰু নিকোলাছ ৰাজে ৰাৰ্নাছ আপত সন্তুষ্ট থাকিবলগীয়া হয়। ভাৰতীয় যুটীটো ডেনমাৰ্কৰ উইলিয়াম ক্ৰাইগাৰ ব' আৰু ৰাছমোছ এছপাৰ্চেনৰ হাতত ফাইনেলত ১৪-২১, ১৯-২১ গেমত পৰাস্ত হয়।

০০০০০

সমাপ্ত